**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-12-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

১। ভাৰতে চলিত বৰ্ষত উন্নয়নৰ বিভিন্ন ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত শক্তিশালী স্থিতিত উপনীত হৈছে বুলি প্ৰধানমন্ত্ৰীৰ মন কী বাতত প্ৰকাশ।

২। সৌৰ শক্তি উৎপাদনৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱা মণিপুৰৰ উদ্যোগী মৈৰাং থেম শেঠক প্ৰধানমন্ত্ৰীৰ প্ৰশংসা।

৩। কেন্দ্ৰীয় অমিত শ্বাহৰ আজি নিশা অসম আগমন। কাইলৈ বটদ্ৰবা প্ৰকল্প উদ্বোধন। *আৰু*

৪। তিৰুৱনন্তপুৰমত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলাৰ টি-টুৱেণ্টি শৃংখলাৰ চতুৰ্থখন খেল।

ooooo

ভাৰতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় সুৰক্ষাৰ পৰা ক্ৰীড়া ক্ষেত্ৰলৈকে, বিজ্ঞান পৰীক্ষাগাৰৰ পৰা বৃহৎ মঞ্চলৈকে বিভিন্ন ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত শক্তিশালী স্থিতিত উপনীত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে। আকাশবাণীযোগে আজি প্ৰচাৰিত ১২৯ সংখ্যক মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে আজি এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০২৫ বৰ্ষটোৰ বিষয়ে আলোকপাত কৰি কয়, যে বছৰটোৱে প্ৰতিজন ভাৰতীয়কে গৌৰৱ অনুভৱ কৰিব পৰাকৈ যথেষ্ট স্মৃতি দি গৈছে। অপাৰেচন সিন্দুৰ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱ কৰিব পৰা আটাইতকৈ উল্লেখনীয় মুহূৰ্ত বুলি প্ৰধানমন্ত্ৰীয়ে মত পোষণ কৰে।

বন্দে মাতৰমৰ ১৫০ বছৰীয়া উদযাপনত দেশবাসীৰ স্পৃহা আৰু উদ্যমৰ প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। ক্ৰীড়াৰ দিশতো ২০২৫ চনটো উল্লেখনীয় আছিল বুলি তেওঁ কয়। ভাৰতীয় পুৰুষ ক্ৰিকেট দলৰ আই চি চি চেম্পিয়নছ্ ট্ৰফী দখল আৰু মহিলা ক্ৰিকেট দলৰ প্ৰথমবাৰৰ বাবে বিশ্বকাপে দখলে দেশবাসীক উৎসাহিত কৰাৰ কথা শ্ৰীমোদীয়ে উল্লেখ কৰে। মহিলাৰ দৃষ্টিহীন টি-২০ বিশ্বকাপত ভাৰতীয় দলে খিতাপ দখলেৰে যি ইতিহাস ৰচিলে তাৰবাবে প্ৰধানমন্ত্ৰীয়ে প্ৰতিগৰাকীয়ে খেলুৱৈকে প্ৰশংসা কৰে। বিশ্ব চেম্পিয়নশ্বিপৰ বিভিন্ন শিতানত পদক লাভ কৰা পেৰা এথলিটসকলকো তেওঁ অভিনন্দন জনায়।

বিজ্ঞান আৰু মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলিও তেওঁ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এটা শক্তিশালী যুৱ শক্তিৰ বাবে বিশ্বৰ বুকুত ভাৰতে আজি উল্লেখনীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। বিজ্ঞান, নতুন উদ্ভাৱন আৰু প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সফলতাৰ বাবে এয়া সম্ভৱপৰ হৈছে বুলি তেওঁ কয়।

**-বাইট-**

যুৱ সমাজক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে অহা ১২ জানুৱাৰীত ৰাষ্ট্ৰীয় যুৱ দিৱসৰ দিনাই Young Leaders Dialogue অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানতটোত যুৱ সমাজৰ বৰ্ধিত অংশগ্ৰহণৰ শলাগ লয়।

আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে মণিপুৰৰ উদ্যোগী মৈৰাংথেম শেঠৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে উল্লেখ কৰে। ৰাজ্যখনৰ এখন প্ৰান্তীয় গাঁৱৰ এই লোকজনৰ প্ৰচেষ্টাত অঞ্চলটোত সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীয়ে শলাগ লয়। তেওঁৰ এই প্ৰচেষ্টাৰ ফলত অঞ্চলটোত কেইবাশ পৰিয়ালে সৌৰশক্তি উৎপাদন তথা ব্যৱহাৰ কৰাৰ লগতে বহুতো স্বাস্থ্য সেৱা কেন্দ্ৰও সৌৰশক্তি ব্যৱহাৰৰ উপযোগী হৈ উঠিছে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত বটদ্ৰবা প্ৰকল্প উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণ কৰা বটদ্ৰবা সাংস্কৃতিক প্ৰকল্পথলীত উখল মাখল পৰিবেশৰ সৃষ্টি হৈছে। অঞ্চলটোৰ ৰাইজে গৃহমন্ত্ৰীগৰাকীক আদৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বটদ্ৰবা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাইলৈ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। প্ৰায় ২২২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা বটদ্ৰবা সাংস্কৃতিক প্ৰকল্প কাইলৈ উদ্বোধন কৰা হ'ব যদিও জনতাৰ বাবে ১ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। বটদ্ৰবা সাংস্কৃতিক প্ৰকল্প, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ পৰিচালনা সমিতিয়ে পৰিচালনা কৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত শ্ৰীশ্বাহৰ ভ্ৰমণ সন্দৰ্ভত এইদৰে কয় -

**-বাইট-**

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিমল বৰাৰ উপৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, বহু খলপীয়া গাড়ী ৰখোৱা স্থান, উদ্যান, ফুডকোৰ্ট ইত্যাদি থাকিব। আনহাতে, আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব। অসম আৰক্ষীয়ে এই ক্ষেত্ৰত লাভ কৰা সফলতাসমূহ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক অৱগত কৰোৱা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

গুৱাহাটীৰ মালিগাঁৱৰ বৰিপাৰাত আয়োজিত এটা অনুষ্ঠানত আজি উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব লাভ কৰি উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। জালুকবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশ লৈ কয়, যে ২০০২ চনত ২৮৮ গৰাকী শিক্ষাৰ্থীকহে এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হৈছিল। সম্প্ৰতি শিক্ষাৰ্থীৰ সংখ্যা আশাপ্ৰদভাৱে বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থমেলাৰ আজি পঞ্চম দিনটো **শিশুৰ দিন** হিচাপে উদযাপন কৰা হয়। পুৱা বিশিষ্ট শিশু সাহিত্যিক বন্দিতা ফুকনে শিশুসকলৰ অনুষ্ঠান মুকলি কৰে। পুৱা চাৰে ৯ বজাত কবিতা আবৃত্তি আৰু দিনৰ চাৰে ১১ বজাত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি ২ বজাত

ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান আৰু ৬ বজাত **অন্তৰংগ আলাপ** অনুষ্ঠান অনুষ্ঠিত হ'ব। বিশিষ্ট লেখক, চিত্ৰনাট্যকাৰ, কবি, গীতিকাৰ অক্ষত গুপ্তাই **অন্তৰংগ আলাপ** অনুষ্ঠান মুকলি কৰিব। এই অনুষ্ঠান পৰিচালনা কৰিব বিশিষ্ট লেখক, সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য ড০ সমুদ্ৰগুপ্ত কাশ্যপে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ মহিলা টি-টুৱেণ্টী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে সম্প্ৰতি ৩-০ ফলাফলেৰে এই পাঁচখনীয়া শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল অহা মঙলবাৰে এই একেটা স্থানতে অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত